# NSD NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 31-03-2025 **Time :** 1205 Hrs.

## *Assamese Midday Bulletin*

আজি পৱিত্ৰ ঈদ-উল-ফিটৰ। ৰমজান মাহৰ ৰোজাৰ অন্তত ইছলাম ধৰ্মাৱলম্বী লোকসকলে আজি উলহ-মালহেৰে ঈদ উদযাপন কৰিছে। সমূহীয়া নামাজৰ বাবে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ মছজিদ আৰু ঈদগাহসমূহ সজাই তোলা হৈছে। অতিথিক আপ্যায়নৰ বাবে ঘৰে ঘৰে সুস্বাদু খাদ্য সম্ভাৰ প্ৰস্তুত কৰা হৈছে। ঈদ উপলক্ষে বিশ্ব শান্তিৰ কামনাৰে ইছলামধৰ্মী লোকসকলে আজি সমূহীয়া নামাজত অংশগ্ৰহণ কৰে।

ৰাজ্যৰ অন্যান্য জিলাৰ লগতে শিৱসাগৰ আৰু হোজাই জিলাৰ বিভিন্ন অঞ্চলত ঈদ উল ফিটৰ উপলক্ষে ব্যাপক উৎসাহ উদ্দীপনাই বিৰাজ কৰিছে। শিৱসাগৰ নগৰ আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ ঈদগাহসমূহৰ লগতে জুম্মা মছজিদসমূহ সজাই-পৰাই তোলা হৈছে।

বৰাক উপত্যকাৰ জিলা কেইখনতো ঈদ-উল-ফিটৰ উপলক্ষে উছৱমুখৰ পৰিৱেশে বিৰাজ কৰিছে। শ্ৰীভূমিত পুৱা সমূহীয়া নামাজৰ পাছত শিশুসকলৰ বাবে সাংস্কৃতিক অনুষ্ঠান, কিৰাট আৰু আবৃত্তি অনুষ্ঠানৰো আয়োজন কৰা হৈছে। কাছাৰ জিলাতো উৎসাহ-উদ্দীপনাৰে ঈদ-উল-ফিটৰ উদযাপন কৰা হৈছে।

ধুবুৰী, গোৱালপাৰাকে ধৰি অন্যান্য জিলাসমূহতো ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে ঈদ উদযাপন কৰা হৈছে।

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই ঈদ-উল-ফিটৰ উপলক্ষে অসমৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এই উপলক্ষে দিয়া এটা বাৰ্তাত ৰাজ্যপালগৰাকীয়ে বিশ্বাস, কৃতজ্ঞতা আৰু আধ্যাত্মিক পৰিপূৰ্ণতাক প্ৰতিফলিত কৰা এই উৎসৱে জনসাধাৰণৰ মাজত আত্ম-অনুশাসন আৰু নিষ্ঠাৰ মনোভাৱ জাগ্ৰত কৰে বুলি তেওঁ উল্লেখ কৰে।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই পৱিত্ৰ ঈদ-উল-ফিটৰ উপলক্ষে অসমবাসীক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০০

কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত আমিনগাঁৱত আজি কামৰূপ জিলা দিৱস পালন কৰা হৈছে। এই উপলক্ষে আজি পুৱা আমিনগাঁৱৰ সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ পৰা আগিয়াঠুৰী পাহাৰলৈ জিলা আয়ুক্ত দেৱকুমাৰ মিশ্ৰৰ নেতৃত্বত এটা ট্ৰেকিং কাৰ্যসূচীৰ আয়োজন কৰা হয়। ইয়াত অংশগ্ৰহণ কৰি জিলা আয়ুক্তগৰাকীয়ে আগিয়াঠুৰী পাহাৰক পৰ্যটন ক্ষেত্ৰলৈ পৰিৱৰ্তন কৰা হ'ব বুলি ঘোষণা কৰিছে।

০০০০০০

ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনী প্ৰচাৰৰ আজি সামৰণি পৰিব। পৰহিলৈ পৰিষদীয় নিৰ্বাচনৰ ভোটগ্ৰহণ কৰা হ'ব। প্ৰচাৰৰ অন্তিম দিনটোত আজি শাসক-বিৰোধী আটায়ে নিজ নিজ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযান চলাইছে। বিজেপি, অসম গণ পৰিষদ আৰু ৰাভা হাচং যৌথ সংগ্ৰাম সমিতিৰ প্ৰাৰ্থীৰ হৈ মন্ত্ৰী পীযুষ হাজৰিকাই আজি বিভিন্ন স্থানত প্ৰচাৰ চলাব। একেদৰে কংগ্ৰেছৰ প্ৰাৰ্থীৰ হৈও দলীয় নেতৃত্বই বিভিন্ন স্থানত প্ৰচাৰ চলাই ভোটদাতাক আকৰ্ষণৰ চেষ্টা কৰিছে। আজি বিয়লি ৩ বজাত প্ৰচাৰৰ অন্ত পৰিব।

কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা সৰ্বানন্দ সোণোৱাল, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই কালি বামুনীগাঁও পৰিষদীয় সমষ্টিত মিত্ৰজোটৰ প্ৰাৰ্থী অজিত ৰাভাৰ হৈ প্ৰচাৰ চলায়।

গোৱালপাৰা জিলাৰ ১৯টা আৰু কামৰূপ জিলাৰ ১৪টা সমষ্টিত পৰহিলৈ নিৰ্বাচন অনুষ্ঠিত হ'ব। পৰিষদৰ ৪০ খন আসনৰ ভিতৰত ৪ খনৰ বাবে সদস্য মনোনীত কৰা হয়। তিনিখনত এন ডি এৰ প্ৰাৰ্থী তিনিগৰাকী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে। ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব। ০০০০০০০

উত্তৰ-পূব সীমান্ত ৰে'লৱে গ্ৰীষ্মকালত যাত্ৰীৰ অতিৰিক্ত ভিৰ নিয়ন্ত্ৰণৰ বাবে ৪ টা যাত্ৰাৰ বাবে বিশেষ ৰে'ল চলাচলৰ সিদ্ধান্ত লৈছে। ৰে'লসমূহ অহা ১০ এপ্ৰিলৰ পৰা ৪ মে'লৈকে ছত্ৰপতি শিৱাজী মহাৰাজ টাৰ্মিনাছ্ আৰু নাৰেংগী ষ্টেছনৰ মাজত আৰু ৬ ৰ পৰা ২৯ এপ্ৰিললৈ কোলহাপুৰ আৰু কাটিহাৰৰ মাজত প্ৰতিটো দিশত ৪ টা যাত্ৰাৰ বাবে চলাচল কৰোৱা হ'ব। ০১০৬৫ নম্বৰৰ বিশেষ ৰে'লখন ১০ এপ্ৰিলৰ দিনৰ ১১ বাজি ৫ মিনিটত ছত্ৰপতি শিৱাজী টাৰ্মিনাছৰ পৰা যাত্ৰা কৰি ১২ এপ্ৰিলৰ দিনৰ ১১ বজাত নাৰেঙ্গীত উপস্থিত হ'ব। একেদৰে ০১০৬৬ নম্বৰৰ ৰে'লখন ১৩ এপ্ৰিলৰ পুৱা ৫ বাজি ২৫ মিনিটত নাৰেঙ্গীৰ পৰা যাত্ৰা কৰি ১৫ এপ্ৰিলৰ পুৱা ৮ বাজি ২৫ মিনিটত ছত্ৰপতি শিৱাজী টাৰ্মিনাছত উপস্থিত হ'ব বুলি উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ বাতৰি আৰু কেতবোৰ অনুষ্ঠানৰ সময় কিছু সাল-সলনি কৰা হৈছে। শ্ৰোতাসকলৰ বিপুল দাবীৰ প্ৰতি সঁহাৰি জনাই জনপ্ৰিয় অনুষ্ঠান 'জিলাৰ ৰেহৰূপ' কাইলৈৰ পৰা পুনৰ সন্ধিয়াৰ পৰিৱৰ্তে পুৱা ৯ বাজি ১৫ মিনিটৰ পৰা ৯ বাজি ২০ মিনিটলৈ প্ৰচাৰৰ দিহা কৰা হৈছে। দিনৰ ১০ বজাত প্ৰচাৰিত মুখ্য বাতৰি কাইলৈৰ পৰা ১১ বজাত প্ৰচাৰ কৰা হ'ব। একেদৰে বিবিধ ভাৰতীযোগে পুৱা ৭ বাজি ২৮ মিনিট আৰু নিশা ৮ বাজি ২৮ মিনিটত প্ৰচাৰিত মুখ্য বাতৰিৰ প্ৰচাৰ কাইলৈৰ পৰা বন্ধ কৰা হ'ব।

০০০০০০০

মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ বিশিষ্ট শিল্পী উপেন বৰা বৰগায়নৰ উদ্যোগত তথা মাজুলী মহাবিদ্যালয়ৰ সহযোগত কালি এটা ধ্ৰুপদী সংগীতানুষ্ঠানৰ আয়োজন কৰা হয়। মাজুলী মহাবিদ্যালয়ত আয়োজিত অনুষ্ঠানটো উদ্বোধন কৰি মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই সংগীতৰ সাধনাই মানুহৰ মানসিক উৎকৰ্ষ সাধন কৰে বুলি মন্তব্য কৰে। অনুষ্ঠানটোত প্ৰথিতযশা সংগীত শিল্পী প্ৰদ্যুৎ মিশ্ৰ, দীপেন শৰ্মা আৰু ঋষিকেশ শৰ্মাই অংশগ্ৰহণ কৰে।

০০০০০০০

শিৱসাগৰৰ জোলা গাঁও নিবাসী বনগীতৰ শিল্পী, গীতিকাৰ, সুৰকাৰ, লেখক, পৰিচালক হেম দত্তৰ কালি মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮১ বছৰ। প্ৰয়াত দত্ত তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী আছিল।

০০০০০০০০০

গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত কালি নিশা অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযো গিতাৰ এখন খেলত ৰাজস্থান ৰয়েলছে চেন্নাই চুপাৰ কিংছক ৬ ৰাণৰ ব্যৱধানত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি ৰাজস্থান ৰয়েলছে নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেটৰ বিনিময়ত ১৮২ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত চেন্নাই চুপাৰ কিংছে নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেটৰ বিনিময়ত ১৭৬ ৰাণহে সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। আজি মুম্বাইৰ ৱাংখাড়ে ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানচ কলকাতা নাইট ৰাইডাৰছৰ মুখামুখি হব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

০০০০০০০

সমাপ্ত